**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। ইৰান আৰু ইজৰাইলৰ মাজৰ যুদ্ধবিৰতিৰ ঘোষণাই এই যুদ্ধৰ কৱলত পৰা কোটি কোটি নাগৰিকলৈ স্বস্তিৰ বতৰা কঢ়িয়াই আনিছে।

২। ইৰান-ইজৰাইলৰ যুদ্ধত কমেও ৮৬৫ গৰাকী লোকে প্ৰাণ হেৰুওৱা বুলি সংবাদ মাধ্যমৰ সূত্ৰত প্ৰকাশ পাইছে।

৩। সিন্ধু অভিযানৰ অধীনত ইৰানৰ পৰা বৰ্তমানলৈকে দুহেজাৰ ২৯৫ গৰাকী ভাৰতীয় লোকক নিজ দেশলৈ ওভতাই অনা হৈছে।

৪। অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতা নীতিৰ বিষয়ে সমগ্ৰ বিশ্বলৈ এটা শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

আৰু

৫। হেডিংলী টেষ্ট, আজি পঞ্চম তথা অন্তিম দিনা নাটকীয় পৰিণতিৰ দিশে অগ্ৰসৰ হৈছে।

০০০০০০০

ইৰান আৰু ইজৰাইলৰ মাজৰ যুদ্ধবিৰতিৰ ঘোষণাই এই যুদ্ধৰ কৱলত পৰা কোটি কোটি নাগৰিকলৈ স্বস্তিৰ বতৰা কঢ়িয়াই আনিছে। দেশ দুখনৰ মাজৰ শেহতীয়া সংঘৰ্ষক ১২ দিনীয়া যুদ্ধ বুলি অভিহিত কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰা মতে উভয় দেশেই প্ৰায় একে সময়তে শান্তিৰ বাৰ্তাৰে তেওঁৰ প্ৰশাসনৰ ওচৰ চাপে।

তেহৰানে আমেৰিকাৰ আগ্ৰাসনৰ সামৰিকভাৱে প্ৰত্যুত্তৰ দিয়া বুলি প্ৰকাশ কৰাৰ পাছতেই ইৰানৰ চৰকাৰী সংবাদ মাধ্যমে, শত্ৰু পক্ষৰ ওপৰত যুদ্ধবিৰতি জাপি দিয়া হৈছে বুলি প্ৰকাশ কৰে আৰু ইয়াৰ পাছত এই যুদ্ধবিৰতি ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ইৰানে কাটাৰত থকা আমেৰিকাৰ ঘাটিলৈ লক্ষ্য কৰি ক্ষেপনাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰাৰ কেইঘণ্টামানৰ পাছতে এইদৰে যুদ্ধবিৰতি ঘোষণা কৰা হয়। আমেৰিকাই সংঘটিত কৰা আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰানৰ এই ক্ষেপনাস্ত্ৰ আক্ৰমণে আমেৰিকা যুক্তৰাষ্ট্ৰক আঞ্চলিক পৰ্যায়ৰ এই সংঘৰ্ষৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত কৰায়।

Human Rights Activists News Agency চমুকৈ HRANA নামৰ সংবাদ সংস্থাটোৱে প্ৰকাশ কৰা মতে এই যুদ্ধত যোৱা ২২ জুন পৰ্যন্ত ২১৫ গৰাকী সৈনিক, ২৬৩ গৰাকী অসামৰিক লোক আৰু ২৮৭ গৰাকী অচিনাক্ত ব্যক্তিকে ধৰি কমেও ৮৬৫ গৰাকী লোকে প্ৰাণ হেৰুৱায়। এই যুদ্ধৰ ফলত ৩ হাজাৰ ৩০০ গৰাকীতকৈও অধিক সংখ্যক লোক আহত হয়। ২২৪ গৰাকী লোক নিহত আৰু দুহেজাৰ ৫০০তকৈও অধিক লোক আহত হোৱা বুলি ইৰানৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা তথ্যৰ তুলনাত সংবাদ সংস্থাটোৰ তথ্যত এই সংখ্যা অধিক বুলি প্ৰকাশ পাইছে। দুয়োটা পক্ষই অৱশ্যে এই যুদ্ধৰ ফলত হতাহত হোৱাসকলৰ অধিক সংখ্যকেই অসামৰিক লোক বুলিও প্ৰকাশ কৰিছে।

ইজৰাইলী পক্ষই প্ৰথম অৱস্থাত ইৰানৰ সামৰিক ক্ষেত্ৰক আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিলেও পৰৱৰ্তী সময়ত আৱাসিক এলেকাসমূহত বিমানেৰে আক্ৰমণ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত এই যুদ্ধই ইৰানত মানৱীয় সংকটৰ গভীৰতা বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে ইজৰাইলে আনকি ইৰানৰ কাৰাগাৰতো আক্ৰমণ সংঘটিত কৰে। এনে পৰিস্থিতিত ইৰানৰ ভিন ভিন ঠাইত বসবাস কৰা লাখ লাখ লোক স্থানান্তৰিত হ'বলগীয়া হোৱাৰ লগতে সাহায্য কৰ্মী আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত শিশুকে ধৰি বহুসংখ্যক লোক হতাহত হয়। ইৰানৰ ন্যায়পালিকাই প্ৰকাশ কৰা মতে দেশখনৰ ৰাজনৈতিক বন্দীক আশ্ৰয় দিয়াৰ বাবে জনাজাত তেহৰানৰ এভিন কাৰাগাৰকো ইজৰাইলী বাহিনীয়ে আক্ৰমণৰ লক্ষ্য হিচাপে লয়।

একেদৰে এই যুদ্ধৰ ফলত ইজৰাইলৰো ভালেমান লোক হতাহত হোৱা বুলি প্ৰকাশ পাইছে। ইৰানৰ ক্ষেপনাস্ত্ৰৰ আক্ৰমণত কমেও ২৪ গৰাকী অসামৰিক লোক নিহত হোৱাৰ লগতে প্ৰায় ৬০০ গৰাকী লোক আহত হয়। যুদ্ধ বিৰতিৰ

আগৰ সময়ছোৱাত দেশখনৰ দক্ষিণ অঞ্চলৰ বীৰশ্বেবা মহানগৰীখন ব্যাপক ক্ষতিৰ সন্মুখীন হয়। ইৰানে সংঘটিত কৰা আক্ৰমণৰ ফলত মহানগৰীখনত কমেও ৩ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন বহুসংখ্যক লোক আহত হোৱা বুলিও ইজৰাইলৰ জৰুৰী সেৱা বিভাগে প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে জনোৱা মতে বীৰশ্বেবাৰ বিধবস্ত হৈ পৰা অঞ্চলসমূহত ভালেমান ভৱনৰ ধবংসস্তুপৰ মাজত আৱদ্ধ হৈ থকা লোকক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰা মতে তেওঁৰ প্ৰশাসনৰ কূটনৈতিক আৰু নিৰাপত্তা বাহিনীৰ দলসমূহে এই যুদ্ধবিৰতিত উপনীত হ'বৰ বাবে প্ৰয়াস চলোৱাৰ শেষত স্থানীয় সময় অনুসৰি পুৱা প্ৰায় চাৰি বজাত যুদ্ধ বিৰতিৰ সিদ্ধান্ত ঘোষণা কৰা হয়। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুৱে অৱশ্যে এই বাতৰি যুগুতোৱাৰ পৰলৈ যুদ্ধ বিৰতি সন্দৰ্ভত কোনো ৰাজহুৱা মন্তব্য প্ৰকাশ কৰা নাই।

ooooooooo

পশ্চিম এছিয়াৰ সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহৰ বৰ্ধিত উত্তেজনাময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰম্ভ কৰা সিন্ধু অভিযানৰ অধীনত বৰ্তমানলৈকে দুহেজাৰ ২৯৫ গৰাকী ভাৰতীয় লোকক নিজ দেশলৈ ওভতাই অনা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে প্ৰকাশ কৰা মতে ইৰানৰ মাছাদৰ পৰা ২৯২ গৰাকী ভাৰতীয় লোকক লৈ অনা এখন বিশেষ বিমান আজি নিচেই পুৱাতে নতুন দিল্লীত অৱতৰণ কৰে।

বায়ুসেনাই প্ৰয়োজনৰ সময়ত দেশৰ ভিতৰত অথবা বিশ্বৰ যিকোনো প্ৰান্তত সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। বায়ুসেনাই ভাৰত আৰু ইয়াৰ মিত্ৰদেশৰ লোকসকলক উদ্ধাৰৰ বাবে জৰ্দান আৰু ইজিপ্তৰ পৰা অভিযান চলাইছে। সিন্ধু অভিযানৰ অধীনত ইজৰাইলৰ পৰাও ১৬৫ গৰাকী ভাৰতীয় লোকক ওভতাই অনা হৈছে। তথ্য, সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানে এই লোকসকলক আদৰণি জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে এই যাত্ৰীসকলৰ মাজত ২২ খন বেলেগ বেলেগ ৰাজ্যৰ লোক আছে আৰু তেওঁলোক নিজ দেশলৈ ঘূৰি আহিবলৈ পাই অতি আনন্দিত। ইজৰাইলৰ আম্মানৰ পৰা ১৬৫ গৰাকী ভাৰতীয় লোকক লৈ অহা  বিমানখনে নতুন দিল্লীত অৱতৰণ কৰাৰ পাছতে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই তেওঁলোকক আদৰণি জনায়। শ্ৰী মাৰ্ঘেৰিটাই কয়, যে চৰকাৰে ইৰান আৰু ইজৰাইলত থকা ভাৰতীয় লোকসকলৰ সৈতে সঘন যোগাযোগত আছে আৰু তেওঁলোকক সকলো ধৰণৰ সাহায্য আৰু সমৰ্থন আগবঢ়োৱা হৈছে।

ooooooooo

অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতা নীতিৰ বিষয়ে সমগ্ৰ বিশ্বলৈ এটা শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ভাৰতীয় নাগৰিকক অনিষ্ট কৰা লোকসকলৰ বাবে কোনো স্থানেই নিৰাপদ নহয় বুলি ভাৰতে স্পষ্ট কৰি দিছে। শ্ৰী মোদীয়ে লগতে কয়, দেশৰ প্ৰতিৰক্ষা সিদ্ধান্তসমূহ এতিয়া ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে প্ৰয়োজনীয় বিষয়ৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা হয়। নতুন দিল্লীত আজি ভাৰতৰ দুগৰাকী মহান নেতা শ্ৰী নাৰায়ণ গুৰু আৰু মহাত্মা গান্ধীৰ ঐতিহাসিক কথোপকথনৰ শতবৰ্ষ উদযাপন কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিদেশত নিৰ্মিত অস্ত্ৰ-শস্ত্ৰৰ আমদানিৰ ক্ষেত্ৰত থকা ভাৰতৰ নিৰ্ভৰশীলতা ক্ৰমান্বয়ে হ্ৰাস পাইছে বুলি উল্লেখ কৰি কয়, যে প্ৰতিৰক্ষা খণ্ডত দেশৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি পাইছে।

শ্ৰীনাৰায়ণ গুৰুৰ আদৰ্শ সমগ্ৰ মানৱতাৰ বাবে এটা মহান সম্পদ বুলি উল্লেখ কৰি দেশ আৰু জাতিৰ বাবে সেৱা আগবঢ়োৱাত নিয়োজিত লোকসকলৰ বাবে সমাজ সংস্কাৰকগৰাকী আদৰ্শস্বৰূপ বুলি প্ৰকাশ কৰে।

ooooooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনস্থ জাতিংগা আৰু লামপুৰৰ মাজৰ এঠাইত ৰে'লপথত হোৱা প্ৰবল ভূমিস্খলনৰ বাবে লামডিং আৰু শিলচৰৰ মাজত সকলোধৰণৰ ৰে'লসেৱা যোৱানিশাৰে পৰা বাতিল কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে ইয়াৰ ফলত ১৫৬১৫ গুৱাহাটী শিলচৰ এক্সপ্ৰেছ, ১৫৬১১ আৰু ১৫৬১২ ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, ১৫৬১৭ আৰু ১৫৬১৮ দুৰ্লভছৰা গুৱাহাটী এক্সপ্ৰেছ, নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ, কাঞ্চনজংঘা এক্সপ্ৰেছ, তিৰুচিৰাপল্লী এক্সপ্ৰেছ, ৰে'লগাড়ীকেইখনৰ যাত্ৰা অনিৰ্দিষ্ট কাললৈ বাতিল কৰা হৈছে। আমাৰ হোজাইৰ সংবাদদাতাই জনোৱা মতে ৰে'লগাড়ীসমূহ বাতিল হোৱাৰ ফলত লামডিং জংচনত বৰ্তমান বৰাক উপত্যকা আৰু ডিমা হাচাওলৈ যাবলগীয়া যাত্ৰীসকলৰ যথেষ্ট ভিৰ

পৰিলক্ষিত হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কাছাৰ জিলাৰ বদৰপুৰৰ গেমন দলঙৰ মেৰামতিৰ কাম চলি থকাৰ লগতে শিলচৰ-কালাইন পথৰ হাৰাং দলং ভাগি পৰাৰ ফলত বৰাক উপত্যকাৰ সৈতে দেশৰ বাকী অংশৰ পথ যোগাযোগো বিচ্ছিন্ন হৈ আছে। এনে পৰিস্থিতিত আজি গুৱাহাটীত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনৰ নথি পৰীক্ষণ আৰু মৌখিক পৰীক্ষা বৰাক উপত্যকাৰ প্ৰাৰ্থীসকলৰ বাবে স্থগিত ৰখা হৈছে।

০০০০০

হেডিংলী টেষ্ট, আজি পঞ্চম তথা অন্তিম দিনা নাটকীয় পৰিণতিৰ দিশে অগ্ৰসৰ হৈছে। খেলখনৰ কালি চতুৰ্থ দিনা দিনটোৰ খেল শেষ হ'বলৈ প্ৰায় আধা ঘণ্টা বাকী থকা অৱস্থাত ভাৰতৰ দ্বিতীয় ইনিংছ ৩৬৪ ৰানত অন্ত পৰে। ফলত টেষ্ট মেচখনত জয়লাভৰ বাবে ঘৰুৱা দলটোক দ্বিতীয় ইনিংছত ৩৭১ ৰানৰ প্ৰয়োজন হয়। ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত কোনো উইকেট নেহেৰুওৱাকৈ ২১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত কে এল ৰাহুলে ১৩৭ আৰু ঋষভ পণ্টে ১১৮ ৰান সংগ্ৰহ কৰে। ইয়াৰ পাছত অৱশ্যে ভাৰতৰ বাকী ৭টা উইকেটৰ সোনকালেই পতন ঘটে। খেলখনৰ আজি পঞ্চম দিনা ভাৰতৰ প্ৰয়োজন ইংলেণ্ডৰ দহটা উইকেট। আনহাতে, ইংলেণ্ডক জয়ৰ বাবে আৰু ৩৫০ ৰানৰ প্ৰয়োজন।

০০০০০

ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন বাওঁহতীয়া স্পীনাৰ দিলীপ দোছিৰ যোৱানিশা লণ্ডনত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। ৩২ বছৰ বয়সত ভাৰতীয় টেষ্ট দলত অন্তৰ্ভুক্ত হোৱা দিলীপ দোছীয়ে ভাৰতৰ হৈ ৩৩ খন টেষ্ট মেচ খেলি ১১৪ টা উইকেট অধিকাৰ কৰে। কপিল দেৱৰ নেতৃত্বাধীন ভাৰতীয় টেষ্ট দলৰ হৈ তেওঁ স্পীন আক্ৰমণৰ গুৰি ধৰিছিল। ৰঞ্জী টফ্ৰীত তেওঁ বংগ দলক প্ৰতিনিধিত্ব কৰিছিল। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ১৯৭৯ চনত চেন্নাইৰ চেপক ষ্টেডিয়ামত টেষ্ট খেলুৱৈৰ জীৱন আৰম্ভ কৰা দিলীপ দোছিয়ে সেইটো শৃংখলাৰেই এখন খেলত ১০৩ ৰানৰ বিনিময়ত ছটা উইকেট অধিকাৰ কৰিছিল। তেওঁৰ মৃত্যুত কিংবদন্তি খেলুৱৈ শচীন তেণ্ডুলকাৰ, প্ৰাক্তন টেষ্ট খেলুৱৈ ৰবি শাস্ত্ৰী আৰু আন্তৰ্জাতিক ক্ৰিকেট পৰিষদৰ অধ্যক্ষ জয় শ্বাহকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

জেকিয়াত আজি হ'বলগীয়া অষ্ট্ৰাভা গোল্ডেন স্পাইক ২০২৫ এথলেটিকছত ভাৰতৰ তাৰকা খেলুৱৈ তথা বিশ্ব জেভলিন চেম্পিয়ন নীৰজ চোপ্ৰাই অংশগ্ৰহণ কৰিব। ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে দহ বজাত নীৰাজ চোপ্ৰাৰ প্ৰদৰ্শন আৰম্ভ হ'ব। উল্লেখযোগ্য, যে খেলুৱৈগৰাকীয়ে ২০২৩ আৰু ২০২৪ দুয়োটা বৰ্ষতে গোল্ডেন স্পাইকত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা আছিল যদিও আঘাতৰ বাবে দুয়োবাৰেই তেওঁ প্ৰতিযোগিতাৰ পৰা আঁতৰি আহিবলগীয়া হৈছিল।

00000

**সমাপ্ত**